**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-01-2026
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডিমৰীয়া বিধানসভা সমষ্টিৰ ২৪ হাজাৰ ৭৬৬ গৰাকী মহিলাক উদ্যমিতা পুঁজিৰ চেক বিতৰণ।
২। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ, বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি।
৩। ধেমাজি আৰু ডিব্ৰুগড়ত মন্ত্ৰী অশোক সিংহলৰ কেইবাটাও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ আধাৰশিলা স্থাপন।
৪। জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ এখন বিশেষ আদালতৰ ব্যৱস্থা কৰাৰ বাবে পত্ৰযোগে আছুৰ চৰকাৰলৈ আহ্বান। *আৰু*
৫। গুৱাহাটীৰ অসম গ্ৰন্থমেলাৰ আজি দ্বাদশ দিনাও গ্ৰন্থপ্ৰেমীৰ ভিৰ। বৰ্তমানলৈকে ৬ কোটি ৩০ লাখ টকাৰ কিতাপ বিক্ৰী।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী পানীখাইটিত আয়োজিত এটা অনুষ্ঠানত ডিমৰীয়া বিধানসভা সমষ্টিৰ ২৪ হাজাৰ ৭৬৬ গৰাকী মহিলাক উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। এই উপলক্ষে আয়োজিত জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন চৰকাৰী আঁচনিৰ লাভালাভ সন্দৰ্ভত অৱগত কৰে। ড° শৰ্মাই ডিমৰীয়া সমষ্টিৰ উদ্যমী মহিলাসকলে এই ধনৰ সদ্ব্যৱহাৰৰ জৰিয়তে স্বাৱলম্বী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। মহিলাসকল আৰ্থিকভাৱে সবল হলে গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ পথ  প্ৰসস্ত হব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত খছৰা ভোটাৰ তালিকা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে খছৰা ভোটাৰ তালিকা সন্দৰ্ভত অভিযোগ থকাসকলে ২২ জানুৱাৰীৰ ভিতৰত নিৰ্বাচন আয়োগৰ ওচৰত আবেদন দাখিল কৰিব পাৰিব।

বাইট

oooo

অসম প্ৰদেশ বিজেপিৰ ২০২৬ৰ বিধানসভা নিৰ্বাচন প্ৰৱন্ধন সমিতিৰ আহ্বায়ক তথা লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই সমাগত  বিধানসভা নিৰ্বাচনৰ বাবে দলটো সম্পূৰ্ণৰূপে সাজু বুলি মন্তব্য কৰিছে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত আজি এখন সংবাদমেলত শ্ৰীবৰুৱাই কয়, যে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টি আৰু পঞ্চায়তত বিজেপিৰ নিৰ্বাচন প্ৰৱন্ধন সমিতি গঠন কৰা হৈছে। তেওঁ লগতে ৰাজ্যজুৰি হ'বলগীয়া দেৱাল লিখন কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰি কয়, যে কাইলৈ বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত এই দেৱাল লিখন কাৰ্যসূচী শুভাৰম্ভ কৰিব। এই কাৰ্যসূচীত বিজেপিৰ সাংসদ মন্ত্ৰী, বিধায়ক, ৰাজ্যিক মৰ্চাৰ সভাপতি, জিলা পৰিষদৰ সদস্যকে ধৰি সকলো কাৰ্যকৰী সদস্যই অংশ ল'ব।

ইপিনে কংগ্ৰেছে প্ৰিয়ংকা গান্ধীক অধ্যক্ষ হিচাপে লৈ আসন্ন অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি সমিতি গঠন কৰিছে। সমিতিত সপ্তগিৰি শংকৰ উলাকা, ইমৰাণ মাছুদ আৰু ড০ চিৰিভেল্লা প্ৰসাদক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ দায়িত্বৱাহী এ আই চি চিৰ সাধাৰণ সম্পাদক, প্ৰদেশ কংগ্ৰেছৰ সভাপতি, কংগ্ৰেছ বিধায়িনী দলৰ নেতা আৰু এ আই চি চিৰ সম্পাদকসকলো প্ৰাৰ্থী বাছনি সমিতিত সহযোগী সদস্য হিচাপে থাকিব।

০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি ধেমাজিৰ জোনাই সমষ্টিত ৩ খন নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৩ খন উপ স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যত তৃণমূল পৰ্যায়ত স্বাস্থ্য সেৱা উন্নত কৰি তোলাৰ লক্ষ্যৰে ২ কোটি ৪৩ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু উপ স্বাস্থ্য কেন্দ্ৰ কেইটাৰ আধাৰশিলা স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত জোনাইৰ নপাম কুলি, চমকং আৰু গালি স্বাস্থ্য কেন্দ্ৰৰ লগতে কাকবাৰী আৰু কদমতল উপস্বাস্থ্য কেন্দ্ৰ আছে। ভাষণ প্ৰসংগত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত সুস্থ অসম গঢ়াৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। স্বাস্থ্যবান পৰিয়াল, স্বাস্থ্যবান সমাজৰ আধাৰ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এনে সমাজে এখন শক্তিশালী ৰাজ্য গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজ্যত বৰ্তমান চিকিৎসা মহাবিদ্যালয়সমূহৰ পৰা বছৰি ভালেসংখ্যক চিকিৎসক সৃষ্টি হৈছে আৰু ইয়াৰ জৰিয়তে চিকিৎসকৰ নাটনিৰ সমস্যা প্ৰায় সমাধান হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কৰ্মচাৰীসকলৰ সমস্যাসমূহো আলোচনাৰ মাধ্যমেৰে সমাধানৰ আশ্বাস দিয়ে।

বাইট

শ্ৰীসিংহলে আজি ডিব্ৰুগড় জিলাৰ টিংখাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰে। এই স্বাস্থ্য কেন্দ্ৰটোত বহিঃৰোগ কক্ষ, জৰুৰীকালীন কক্ষ, পেথলেবকে ধৰি প্ৰায়বোৰ উন্নত মানৰ সুবিধা উপলব্ধ হ'ব।

০০০০

সদৌ অসম ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ আজি এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে উল্লেখ কৰা অনুসৰি পত্ৰখনৰ জৰিয়তে জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ এখন বিশেষ আদালতৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ফৌজদাৰী আইনৰ অভিজ্ঞ অধিবক্তাৰ এটি দলক বিশেষ লোক অধিবক্তা হিচাপে নিয়োগ কৰাৰ প্ৰয়োজন বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ক বিশেষ আদালতৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰক পদক্ষেপ ল'বলৈ ছাত্ৰ সন্থাই অনুৰোধ জনাইছে। ছাত্ৰ সন্থাই পত্ৰখনত জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু বিগত বছৰটোত ৰাজ্য তথা জাতিটোৰ বাবে আটাইতকৈ দুখৰ খবৰ আছিল বুলি উল্লেখ কৰি কয় যে আদালতৰ শুনানি কালত এতিয়া অভিযুক্তসকলৰ প্ৰত্যেকে নিজক ৰক্ষাৰ বাবে আগশাৰীৰ অধিবক্তা নিয়োগ কৰা দেখা গৈছে। গতিকে তেনে ক্ষেত্ৰত জুবিন গাৰ্গৰ পক্ষত শক্তিশালী অধিবক্তাৰ দল নিয়োগ কৰাৰ সময় আহি পৰিছে বুলি ছাত্ৰ সন্থাই উল্লেখ কৰে।

০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক অগ্ৰাধিকাৰ ভিত্তিক উন্নয়নৰ পুজিৰ অধীনত কেইবাটাও

পথৰ আধাৰশিলা স্থাপন কৰে। ধেমাজি লক্ষীপথাৰ, বিষ্ণুপুৰ, হাতীগড়কে ধৰি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত প্ৰায় ৬ কোটি টকা ব্যয় সাপেক্ষে মুঠ ১৩ টা নতুন পথ নিৰ্মাণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ডাঃ পেগুৱে নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাথনি উন্নয়ন পুজিৰ দ্বাৰা অনুমোদিত মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পথৰ পৰা ফৰেষ্টগেট বাগিচা সংযোগী পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰাম্য আন্তঃগাথনি উন্নয়নক অগ্ৰাধিকাৰ দি নিৰ্মাণ কৰিবলৈ লোৱা এই পথসমূহে যাতায়াত সুগম কৰি শিক্ষাৰ্থী, খেলুৱৈ তথা জনসাধাৰণক উপকৃত কৰিব বুলি ডাঃ পেগুৱে মন্তব্য কৰে।

বাইট

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাত আজি শিশু দিন উদযাপন কৰা হয়। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত, কবি-সাহিত্যিক, পাৰ্থসাৰথি মহন্তই এই শিশু দিন কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে। শ্ৰীমহন্তই অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ এই প্ৰচেষ্টাৰ শলাগ লৈ কয় যে গ্ৰন্থমেলাত শিশুসকলৰ প্ৰতিভা বিকাশৰ বাবে এটা দিন উদযাপন কৰাটো অতি আনন্দৰ কথা। শিশুসকল দেশৰ ভৱিষ্যত বুলি উল্লেখ কৰি তেওঁ অভিভাৱকসকলক শিশুৰ মোবাইল আসক্তি দূৰ কৰাৰ বাবে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়। আজি শিশুৰ দিনৰ কাৰ্যসূচীৰ বিভিন্ন প্ৰতিযোগিতাত বঁটা লাভ কৰা সকলক অহা ৬ জানুৱাৰীত গ্ৰন্থমেলাৰ সামৰণি অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব। আজি এই অনুষ্ঠানৰ পাছতেই বিয়লি ২ বজাত জন্ম শতবৰ্ষ উপলক্ষে সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিয়লি ৫ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। শীত নেওচি গ্ৰন্থমেলাৰ বাকৰিত আজিও গ্ৰন্থপ্ৰেমী লোকে ভিৰ কৰিছে। উল্লেখযোগ্য যে ২৪ ডিচেম্বৰত আৰম্ভ হোৱা গ্ৰন্থমেলাত বৰ্তমানলৈকে প্ৰায় ৬ কোটি ৩০ লাখ টকাৰ কিতাপ বিক্ৰী হোৱা বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০

নৱবৰ্ষৰ আৰম্ভণিতে কাচাৰ জিলাৰ লক্ষীপুৰ ব্লকৰ আনাৰস খেতি আৰু প্ৰক্ৰিয়াকৰণ খণ্ডক নীতি আয়োগে গুৰুত্বপূৰ্ণ স্বীকৃতি প্ৰদান কৰি আশা ব্যঞ্জক অধ্যায়ৰ আৰম্ভ কৰিছে। কৃষিভিত্তিক উদ্ভাৱন, দীৰ্ঘম্যাদী জীৱিকা সৃষ্টিৰ লগতে পৰিৱেশ অনুকূল উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি লক্ষীপুৰ ব্লকক এই স্বীকৃতি প্ৰদান কৰা হৈছে। এই স্বীকৃতিৰ অধীনত জিলা কাৰ্যসূচী আৰু ব্লক কাৰ্যসূচীৰ যোগেদি লক্ষীপুৰ জিৰো ৱেষ্ট আনাৰস উদ্ভাৱণ প্ৰকল্পৰ বাবে ১ কোটি ৬৪ লাখ টকা আৱণ্টন দিয়া হৈছে। ইয়াৰ লগতে লক্ষীপুৰ ব্লকত এবছৰ ৩ মাহৰ বাবে আধুনিক জিৰো ৱেষ্ট আনাৰস উদ্ভাৱণ কেন্দ্ৰ স্থাপন কৰা হ'ব। এই পদক্ষেপৰ মূল উদ্দেশ্যে হৈছে আনাৰস আৰু ইয়াৰ উপজাত সামগ্ৰীৰ সৰ্বাধিক ব্যৱহাৰ নিশ্চিত কৰা, আৱৰ্জনসমূহৰ পৰিমাণ হ্ৰাস কৰা, মূল্য সংযোজন কৰা, কৰ্ম সংস্থাপনৰ সৃষ্টি আৰু পৰিৱেশৰ বহনক্ষমতা বজাই ৰখা। নীতি আয়োগৰ এই স্বীকৃতিক আদৰণি জনাই বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী তথা লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক কৌশিক ৰায়ে কয়, যে এই অনুমোদনে আনাৰস খেতি, কৃষকৰ উন্নয়ন আৰু উৎপাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বিধায়কজনে লগতে এই অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

এই সভাতে আজি নাট্যকাৰ-পৰিচালক তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী ঋতুপৰ্ণ দাসকো কৃষ্ণ ৰায় মেধি নাট্য সাহিত্য শিল্পী বঁটা প্ৰদান কৰা হয়।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কনভয় আজি ডিব্ৰুগড়ত এটা দুৰ্ঘটনাত পতিত হয়। শ্ৰী সোণোৱাল ওপজা গাঁও বিন্ধাকটালৈ গৈ থকা অৱস্থাত চাবুৱাৰ হাতীআলি বাইপাছত দুৰ্ঘটনাটো সংঘটিত হয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী গৈ থকা অৱস্থাত কনভয়টোৰ এখন গাড়ীয়ে পথৰ দাঁতিত ৰখাই থোৱা এখন ব্যক্তিগত বাহনত খুন্দা মৰাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাত দুজন সাধাৰণ নাগৰিক আহত হোৱাৰ লগতে ৪ গৰাকী আৰক্ষী আহত হয়। আহত কেইজনক ততাতৈয়াকৈ ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আহত আটাইকেইজন বৰ্তমান সংকটমুক্ত বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০

মাজুলীৰ কৰতিপাৰ মিলন নাট্য সমিতিৰ উদ্যোগত আৰু কৰতিপাৰবাসী ৰাইজৰ সহযোগত নাট্য সমিতিৰ প্ৰেক্ষাগৃহত শিক্ষাবিদ **হৰেন্দ্ৰ নাথ ভৰালীৰ ত্যাগ আৰু আদৰ্শ** শীৰ্ষক এখন বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মাজুলী শৈক্ষিক উত্তৰণত বিশিষ্ট ভূমিকা পালন কৰা, মাজুলী মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক, কৰতিপাৰ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, শিক্ষাবিদ হৰেন্দ্ৰ নাথ ভৰালীৰ পৱিত্ৰ সোঁৱৰণত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানখনিৰ সঞ্চালনা কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। মাজুলী মহাবিদ্যালয়ে ১৯৬২ৰ প্ৰলয়ংকাৰী বানৰ পৰিস্থিতিৰ মাজত প্ৰতিষ্ঠিত মাজুলীৰ প্ৰথম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকললৈ শ্ৰদ্ধা জনাই বিগত কেইবা বছৰ ধৰি **সনিৰ্বন্ধ সোঁৱৰণ** নামৰ বক্তৃতানুষ্ঠানৰ আয়োজন কৰি আহিছে। বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বিষয়ত বক্তৃতা আগবঢ়াই অসম চৰকাৰৰ কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক অৰুণ কুমাৰ পাঠকে কয়, যে সমাজৰ বৌদ্ধিক উত্তৰণৰ বাবে আজিৰ পৰা প্ৰায় ৬টা দশক পূৰ্বেই পিছপৰা নামনি মাজুলীৰ পৰা শিক্ষাবিদ হৰেন্দ্ৰ নাথ ভৰালীৰ নিচিনা ত্যাগ পুৰুষে আগবঢ়োৱা নিঃস্বাৰ্থ সেৱাৰ বাবে আমাৰ সমাজখন সুন্দৰ হৈ আছে। মাজুলীৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা বক্তৃতানুষ্ঠানখনি কৰতিপাৰ হাইস্কুলৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মায়াবিনী ৰাতিৰ বুকুত শীৰ্ষক গীতটিৰে সমাপ্ত হয়।

০০০০০০

অসম চৰকাৰৰ পৰিৱৰ্তন আৰু উন্নয়ন বিভাগৰ অধীনত ২০২৫-২৬ বৰ্ষৰ অসম দৰ্শন আঁচনিৰ অধীনত মানাহ বিধান সভা সমষ্টিৰ জালাহ আৰু শিলবাড়ী ভিচিডিচিৰ মুঠ ৪২টা নামঘৰ আৰু মন্দিৰলৈ কালি চেক বিতৰণ কৰা হয়। ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে জালাহস্থিত বিধায়ক সেৱাকেন্দ্ৰত চেকসমূহ বিতৰণ কৰি কয়, যে অসম চৰকাৰে অসমৰ বিভিন্ন অঞ্চলৰ ভগ্নপ্ৰায় নামঘৰ আৰু মন্দিৰসমূহ নিৰ্মাণ কৰাৰ অসম দৰ্শন আঁচনিৰ আৰম্ভ কৰিছে। এই আঁচনিৰ অধীনত প্ৰতিটো মন্দিৰ আৰু নামঘৰে ডেৰ লাখ টকাকৈ আৰ্থিক সাহায্য লাভ কৰিব।

০০০০০

সমাপ্ত